জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮৬/২০২০

# ৫ টাকৈ যুদ্ধবিৰত আদিবাসী সংগঠনৰ নেতৃবৃন্দই সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালক

**দিছপুৰ, ১৬ অক্টোবৰ ঃ** যুদ্ধবিৰত ৫ টাকৈ আদিবাসী সংগঠনৰ লগতে আদিবাসী নেশ্যনেল কনভেন্সনৰ এক প্ৰতিনিধি দলে আজি গুৱাহাটীৰ খানাপাৰাস্থিত অসম চুক্তি ৰূপায়ণ বিভাগৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে। আদিবাসী কোব্ৰা মিলিটেণ্ট ফ'ৰ্ছ, বীৰছা কামাণ্ডো ফ'ৰ্ছ, আদিবাসী পিপ'লছ্ আৰ্মী, আদিবাসী নেশ্যনেল লিবাৰেশ্যন আৰ্মী আৰু চাওতাল টাইগাৰ ফ'ৰ্ছৰ নেতৃবৰ্গই সাক্ষাতৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালক আদিবাসীসকলৰ জনজাতিকৰণকে ধৰি জনগোষ্ঠীটোৱে সন্মুখীন হৈ অহা বিভিন্ন সমস্যাৰাজিৰ বিষয়ে অৱগত কৰে। সাক্ষাতৰ সময়ত প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰী সোণোৱালক এখন স্মাৰক পত্ৰও প্ৰদান কৰে।

যুদ্ধ বিৰত গোট কেইটাৰ নেতৃবৰ্গই মুখ্যমন্ত্ৰীক অৱগত কৰে যে ২০১২ চনতে এই সংগঠনকেইটাই অস্ত্ৰ সম্বৰণ কৰিছিল যদিও পৰৱৰ্তী সময়ত সংগঠনকেইটাৰ দাবীসমূহৰ ওপৰত কোনো আলোচনা অনুষ্ঠিত হোৱা নাছিল। অৱশ্যে কেন্দ্ৰ তথা ৰাজ্যত বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হোৱাৰ পিছতে আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। সংগঠনকেইটাৰ নেতৃবৰ্গই ইয়াৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জনোৱাৰ লগতে আদিবাসীসকলৰ জনজাতিকৰণৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপত সন্তুষ্টি প্ৰকাশ কৰে। আদিবাসীসকল অসম আৰু অসমীয়াৰ অবিচ্ছেদ্য অংগ বুলি উল্লেখ কৰি কেন্দ্ৰীয় চৰকাৰৰ সৈতে ত্ৰিপাক্ষিক চুক্তি সম্পাদনৰ দিশতো পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰী সোণোৱালক অনুৰোধ জনায়। নেতৃবৰ্গই আদিবাসীসকলৰ জনজাতিকৰণৰ লগতে আদিবাসী অধ্যুষিত এলেকাত নাৰ্ছিং পাঠ্যক্ৰমৰ শিক্ষানুষ্ঠান, বহুমুখী শিক্ষা প্ৰতিষ্ঠান, আদিবাসী অঞ্চলৰ ভেন্সাৰ স্কুলৰ প্ৰাদেশীকৰণকে ধৰি কেতবোৰ দাবী বৈঠকত উল্লেখ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে প্ৰতিনিধি দলটোক কয় যে অসম চৰকাৰে ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰিছে। আদিবাসীসকল অসমৰ জাতীয় জীৱনৰ গুৰুত্বপূৰ্ণ অংগ আৰু তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে অসম চৰকাৰে দায়ৱদ্ধতাৰে পদক্ষেপ লৈছে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে আদিবাসী সংগঠনকেইটাৰ নেতৃবৰ্গই বৈঠকত উত্থাপন কৰা বিষয়সমূহ ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব বুলি আশ্বাস প্ৰদান কৰে।

এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, গৃহ বিভাগৰ প্ৰধান সচিব জ্ঞানেন্দ্ৰ ত্ৰিপাঠী আৰু আৰক্ষী মহাপৰিদৰ্শক হীৰেণ নাথ উপস্থিত থাকে।

**বীঃগঃ**
**১৬/১০/২০২০**